# "বিদ্যা দদাতি বিনয়ম"

বিদ্যাৰ সন্মান সৰ্বত্ৰ। সমৃদ্ধি আৰু প্ৰগতিৰ মূল আধাৰ হ'ল বিদ্যা। বিদ্যাই মানুহক দেৱত্ব প্ৰাপ্তি কৰে। বিদ্যাৰ ক্ষেত্ৰ অপৰিসীম। ৰাজনীতি, অৰ্থনীতি সামাজিকৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ, কাৰিকৰী বা বিজ্ঞান-প্ৰযুক্তি বিদ্যালৈ। কৃষিৰ পৰা চিকিৎসালৈ জ্ঞান আহৰণৰ তথা বিদ্যা লাভৰ এখন বহল ক্ষেত্ৰ আছে।

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সমৃদ্ধি নিৰ্ভৰ কৰিছে নাগৰিকৰ ওপৰত। গণতন্ত্ৰৰ প্ৰকৃত তাৎপৰ্য, সাংবিধানিক অধিকাৰ সমূহ প্ৰকৃতাৰ্থত অনুধাৱন আৰু প্ৰয়োগ কৰি ৰাষ্ট্ৰখন আগুৱাই নিবলৈ হ'লে নাগৰিক সকল শিক্ষিত হ'ব লাগিব। ভাৰতবৰ্ষৰ গ্ৰামীণ কৃষিজীৱি অঞ্চলৰ শিক্ষাৰ অনগ্ৰসৰতা হোৱাৰ বাবেই ভাৰতবৰ্ষ বৰ্তমানেও এখন উন্নয়নশীল ৰাষ্ট্ৰ হৈয়ে আছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্বে আৰু স্বাধীনোত্তৰ পৰা ৮০ দশকলৈ গ্ৰামীণ অঞ্চল সমূহত শিক্ষানুষ্ঠান সমূহ বিশেষ উন্নত নাছিল, যাতায়ত আৰু যোগাযোগৰ উন্নত নাছিল। সেই সময়ত গ্ৰামীণ অঞ্চলত শিক্ষানুষ্ঠান সমূহ ৰাইজে স্থাপন কৰিছিল। কাৰণ চৰকাৰৰ শিক্ষা অনুষ্ঠান স্থাপনৰ বিশেষ তেনে আঁচনি নাছিল। অসমত মাত্ৰ কেইখনমান চৰকাৰী মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক চাহিদা পূৰণত ব্যৰ্থ হৈছিল। অনুন্নত যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ বাবেই অধিকাংশ যুৱক যুৱতীয়ে নিৰক্ষৰ হ'ব লগা হৈছিল। সেইয়ে গ্ৰামীণ পিছপৰা অঞ্চলৰ কণ কণ শিশু সকলক শিক্ষা গ্ৰহণৰ বাবে সমাজৰ একাংশ সচেতন ব্যক্তিৰ অপৰিসীম প্ৰচেষ্টাত শিক্ষানুষ্ঠান সমূহ প্ৰতিষ্ঠিত। যি সকল শিক্ষাগুৰুৱে সেই সময়ত বিনা বেতনে ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা দান দিছিল সেই সকল প্ৰকৃতাৰ্থত চিৰনমস্য ব্যক্তি। সময় গতিশীল। সময়ৰ এই গতিশীলতাই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱৰ্তন সাধন কৰে। জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভুতপূৰ্ব পৰিবৰ্তন হ'ল। বৰ্তমান যুগটো ইন্টাৰনেট যুগ। বৰ্ত্তমান মানৱ সমাজ যান্ত্ৰিকতাৰ মাজত ব্যস্ত। নৱ-নৱ চিন্তাধাৰা সামগ্ৰিক পৰিবৰ্তিত ব্যৱস্থাৰ লগত খোজত খোজ

মিলাই আগুৱাই যাব লাগিব। কাৰণ সময় ৰৈ নাথাকে। কিন্তু অতীতক বাদ দি কেৱল মাত্ৰ বৰ্ত্তমানৰ কথা ভবাটোও উচিত হ'ব জানো? সমাজকৰ্মী ত্যাগী বৰেণ্য ব্যক্তি সকলক পৰিৱৰ্ত্তনৰ সময়ৰ সোঁতত হেৰাই যাবলৈ দিয়া উচিত হ'ব জানো? নিশ্চয় নহ'ব। সেই মহান ব্যক্তি সকলৰ আদৰ্শ আমি জীয়াই ৰাখিব লাগিব। তেখেতসকলৰ বৰঙণিক আমি উচিত মূল্য দিবই লাগিব। বৰ্তমান যুব-প্ৰজন্মৰ লগত সেই মহান ব্যক্তিসকলৰ পৰিচয় প্ৰদান কৰা, তেখেতসকলৰ আদৰ্শ চিৰ সজীৱ কৰি ৰখাৰ বৰ্ত্তমান সমাজৰ নৈতিক দায়বদ্ধতাৰ সংকল্প লৈয়ে বিশ্বৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সমূহে ৰূপালী জয়ন্তী, হীৰক জয়ন্তীৰ নিচিনা অতি মহৎ কাৰ্যসূচী ৰূপায়ণ কৰি সেই বৰেণ্য ব্যক্তি সকলক আদৰ্শ আৰু ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। নৱ-প্ৰজন্মক সেই আদৰ্শৰে অনুপ্ৰাণিত কৰাৰ আনুষ্ঠানিক কাৰ্যসূচীৰে বৰ্ত্তমান আমি সমাজৰ প্ৰতি দেশৰ প্ৰতি, ৰাষ্ট্ৰৰ প্ৰতি আমাৰ কৰণীয় দায়বদ্ধতা পালন কৰিব লাগিব।

"সোণালী জয়ন্তী" কাৰ্যসূচী ৰূপায়ণৰ মুল তাৎপৰ্য ৫০ তম্ বৰ্ষত যি সকল শিক্ষানুৰাগী বৰেণ্য ব্যক্তিৰ প্ৰচেষ্টাত একোটা মহৎ শিক্ষা অনুষ্ঠানত প্ৰতিষ্ঠিত হৈছে, যি সকল শিক্ষাগুৰুৱে কেৱল মাত্ৰ ত্যাগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান দিছিল সেইসকলক শ্ৰদ্ধাৰে সোঁৱৰণ আৰু আদৰ্শৰাজী চিৰ সজীৱ কৰি ৰখা। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক সমাবেশৰ মাধ্যমেৰে তেওঁলোকৰ ছাত্ৰ-জীৱনৰ স্মৃতি পুনৰ একেখন মঞ্চত ৰোমন্থন কৰোৱা, নৱ-পুৰণি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ভাবৰ বিনিময় ঘটোৱা সোণালী জয়ন্তীৰ উদ্দেশ্য।

সেই উদ্দেশ্যৰে ১৯৬৬ চনতে স্থাপিত বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ে ২০১৬-২০১৭ বৰ্ষত ৫০ তম বৰ্ষত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত সোণালী জয়ন্তী উৎসৱ পালন কৰা হৈছে।

প্ৰধান শিক্ষকৰ মেজৰ পৰা বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয় - এই নিৱন্ধত মোৰ বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ত যোগদান ১৯৮১ চনৰ ১৪ চেপ্তেম্বৰৰ পৰা বিদ্যালয়ৰ কিছু আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে।

১৯৬৬ চনতেই স্থাপিত বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ কোনো স্থায়ী গৃহ নাছিল। অস্থায়ীভাৱে পঞ্চায়তৰ কাৰ্যালয়তেই অষ্টম-নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান দিয়া হৈছিল। ১৯৮৩ চনত সেই সময়ৰ প্ৰধান শিক্ষক হেম গগৈ দেৱ আৰু বিদ্যালয়ৰ পৰিচালনা সমিতি আৰু ৰাইজৰ সহযোগত এটি স্থায়ী পকী গৃহ নিৰ্মাণ হৈছিল। তাৰ পাছত বকিয়াল চাহ বাগিচাৰ পৰা এটা শ্ৰেণীকোঠা আৰু সৰুপথাৰ বিধান সভাৰ সমষ্টি বিধায়ক শ্ৰীযুত বিনোদ গুৱালা দেৱৰ অনুদানেৰে আৰু এটি শ্ৰেণী কোঠা নিৰ্মাণ কৰা হৈছিল। ২০০৫-০৬ বৰ্ষত মূখ্যমন্ত্ৰী বুনিয়াদ আঁচনিৰ অনুদানেৰে তিনিটা শ্ৰেণীকোঠা, ২০১০-১১ চনত নুমলীগড় তেল শোধনাগাৰ অনুদানেৰে এটি পুথিভঁৰাল নিৰ্মাণ কৰা হৈছিল। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (R.M.S.A) বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়লৈ ২০১২-১৩ বৰ্ষত এটি শ্ৰেণীকোঠা, এটা পুথিভঁৰাল, এটা বিজ্ঞানৰ পৰীক্ষাগাৰ, এটা কম্পিউটাৰ কোঠা আৰু এটি ছোৱালীৰ প্ৰস্ৰাৱগাৰ অনুদান দিয়ে আৰু

PWD বিভাগে উক্ত নিৰ্মাণৰ দায়িত্ব লৈ ২০১৫ চনত বিদ্যালয়লৈ মুকলি কৰি দিয়ে। ২০১৭ বৰ্ষত নুমলীগড় শোধনাগাৰৰ তৰফৰ পৰা পুনৰ এটি টয়লেট নিৰ্মাণৰ বাবে অনুদান আগবঢ়ায়। বৰ্তমান উক্ত টয়লেটৰ নিৰ্মাণ চলি আছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ বাৰ্ষিক পুঁজিৰ পৰা বিশুদ্ধ খোৱাপানী ব্যৱস্থা কৰাৰ উপৰিও স্থায়ী পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। R.M.S.A ৰ পুঁজিৰ পৰা শিক্ষকৰ প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰা হয়। ২০১৬ বৰ্ষৰ R.M.S.A পুঁজিৰ এটি Project ৰ পৰা এটা ফিল্টাৰ আৰু এটি হাৰমনিয়াম ক্ৰয় কৰা হয়।

ৰাজীৱ গান্ধী কম্পিউটাৰ আঁচনিৰ অধীনত ২০ টা কম্পিউটাৰ আৰু এটা জেনেৰেটৰ বিদ্যালয়লৈ আগবঢ়ায়। ২০১৭ বৰ্ষত সৰ্বশিক্ষাৰ অধীনত চাৰিটা কম্পিউটাৰ আগবঢ়ায়। বিদ্যালয়ৰ তৰফৰ পৰা এটি Colour scan printer, এটি Digital printer আৰু এটি মাইক চেটৰ ব্যৱস্থা কৰা হয়।

২০১৭ বৰ্ষৰ মে' মাহত বকিয়াল মধ্য ইংৰাজী বিদ্যালয় বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰিকৰণ হোৱাৰ ফলত আন্তঃগাঠনিৰ সবলতা আহি পৰে। দুৰ্ভাগ্যবশতঃ বিদ্যালয়ৰ মাটিকালি বেছি হোৱাৰ বাবে বিদ্যালয়ত স্থায়ী বেৰ নিৰ্মাণ কৰা এতিয়াও সম্ভৱ হোৱা নাই।

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা বকিয়াল চাহ বাগিচাৰ পৰিচালক, নুমলীগড় শোধনাগাৰ, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান গোলাঘাট, প্ৰাক্তন সৰুপথাৰ বিধান সভাৰ সমষ্টিৰ বিধায়ক, প্ৰাক্তন মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ, সৰ্বশিক্ষা অভিযান গোলাঘাটলৈ বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৭ বৰ্ষত বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী সকলৰ বৰঙণিৰ এটি স্থায়ী 'স্মৃতি সৌধ" নিৰ্মাণ কৰা হয়।

## শৈক্ষিক ক্ষেত্ৰ

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয় ১৯৭৮ চনৰ চৰকাৰৰ Recognision আৰু ১৯৮৪ চনত Provincilisation হয়। ১৯৮১ চনত বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল ক্ৰমে প্ৰধান শিক্ষক ঁহেম গগৈ, সহকাৰী শিক্ষক ঁলোকেশ্বৰ বৰুৱা, শ্ৰীযুতা ৰত্নেশ্বৰী বৰা, শ্ৰীযুত দেৱকান্ত নাথ, বিজ্ঞান শিক্ষক শ্ৰীযুত অজিত কুমাৰ শইকীয়া, নিম্নবৰ্ষৰ সহায়ক শ্ৰীযুত তপন শইকীয়া আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ঁভদ্ৰেশ্বৰ গগৈ। দুৰ্ভাগ্যৰ বিষয় হিন্দী শিক্ষকৰ পদ সেই সময়ত Sanction নোহোৱাত অদ্য পৰিমিত উক্ত পদ খালী হৈ আছে। অতি কম শিক্ষকেৰে পাঠদান দিবলগীয়া হৈছিল যদিও বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষেত্ৰৰ উত্তৰণত পৰ্যাপ্ত বৰঙণি যোগাবলৈ সক্ষম হৈছিল। ১৯৯২ চনত ঁউৎপল দে ক বিজ্ঞান স্নাতক (গণিত) হিচাবে নিযুক্তি দিয়া হৈছিল । ১৯৯৫ চনত প্ৰধান শিক্ষক ঁহেম গগৈ দেৱে অৱসৰ গ্ৰহণ কৰাৰ পাছত ঁলোকেশ্বৰ বৰুৱা দেৱে প্ৰধান শিক্ষকৰ দায়িত্বভাৰ পালন কৰে। ১৯৯৮ চনত শ্ৰীযুত যোগেন গগৈয়ে কলা স্নাতক হিচাবে নিযুক্তি

লাভ কৰিছিল।

২০০০ চনত ঁলোকেশ্বৰ বৰুৱাদেৱে অৱসৰ গ্ৰহণ কৰে আৰু শ্ৰীযুত দেৱকান্ত নাথ দেৱে প্ৰধান শিক্ষকৰ দায়িত্ব আৰু ২০১১ চনৰ চেপ্তেম্বৰৰ পৰা এই অভাজনে প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰি আছো। ২০০৬ চনত গণিত শিক্ষক উৎপল দে ৰ বিয়োগ হোৱাত পুনৰ বিদ্যালয়ত শিক্ষকৰ সমস্যা সৃষ্টি হয়। সেই সময়ত স্থানীয় বিজ্ঞান স্নাতক শ্ৰীযুত বিষ্ণু প্ৰসাদ উপাধ্যায়ে অবৈতনিক হিচাপে সেৱা আগবঢ়ায়। ২০১০ চনত ঠিকাভিত্তিত সহকাৰী শিক্ষক হিচাপে শ্ৰীযুত বিষ্ণু প্ৰসাদ উপাধ্যায়, শ্ৰী ধ্ৰুৱজ্যোতি শইকীয়া, শ্ৰীযুত বুদ্ধজিৎ বৰঠাকুৰে নিযুক্তি লাভ কৰে। ২০১১ চনত শ্ৰীযুতা ৰত্নেশ্বৰী বৰাই অৱসৰ গ্ৰহণ কৰে আৰু ২০১২ চনৰ ফেব্ৰুৱাৰীত শ্ৰীযুত দেৱকান্ত নাথে অৱসৰ গ্ৰহণ কৰাত বিদ্যালয়ৰ শিক্ষকৰ সমস্যা অতি জটিল হৈ পৰিছিল। ২০১১ চনত অক্টোবৰ মাহত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ভদ্ৰেশ্বৰ গগৈয়ে অৱসৰ গ্ৰহণ কৰে। ২০১৩ চনত নৱেম্বৰ মাহত বিজ্ঞান স্নাতক হিচাপে শ্ৰীযুত ৰাজু শইকীয়া আৰু ২০১৫ চনত জুন মাহত কলা স্নাতক হিচাপে শ্ৰীযুত সঞ্জীৱ গগৈ আৰু পলাক্ষী তামুলীয়ে যোগদান কৰে।

২০১৭ বৰ্ষত মে' মাহত বকিয়াল মধ্য ইংৰাজী বিদ্যালয় বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰীকৰণ হোৱাৰ ফলত বৰ্তমান বিদ্যালয়ৰ শিক্ষকৰ স্থিতি শ্ৰী অজিত কুমাৰ শইকীয়া (প্ৰধান শিক্ষক), শ্ৰী উমেশ ভৰালী (সহকাৰী প্ৰধান শিক্ষক) শিক্ষক সৰ্বশ্ৰী যোগেন চন্দ্ৰ গগৈ, ৰাজু শইকীয়া, সঞ্জীৱ গগৈ, পলাক্ষী তামুলী, পূণ্যেশ্বৰ বৰা (হিন্দী শিক্ষক), বাবুল তামুলী, বিষ্ণুপ্ৰসাদ উপাধ্যায়, ধ্ৰুৱজ্যোতি শইকীয়া, বুদ্ধজিৎ বৰঠাকুৰ। উচ্চ বৰ্গৰ সহায়ক তপন শইকীয়া আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰাজেন তিমুং কৰ্মৰত হৈ আছে। এজন বিজ্ঞান স্নাতক আৰু দুজন কলা স্নাতক আৰু এজন চতুৰ্থ বৰ্ষৰ কৰ্মচাৰীৰ পদ খালী হৈ আছে।

কম্পিউটাৰ শিক্ষয়িত্ৰী হিচাপে বৰ্তমান শ্ৰী দুলুমণি ফুকনে কাৰ্যনিৰ্বাহ কৰি আছে।

১৯৮১ চনৰ পৰা পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি সকল ক্ৰমে শ্ৰীযুত আকলিয়াচ তিৰ্কী, ঁনগেন নেওগ, ঁযোগেশ্বৰ শইকীয়া, ঁ ৰামচন্দ্ৰ শইকীয়া, শ্ৰীযুত বদনচন্দ্ৰ তালুকদাৰ। ২০১২ চনত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতিসকল হৈছে শ্ৰীযুত ডম্বৰু নেওগ আৰু বৰ্তমান শ্ৰীযুত অতুল বৰা। প্ৰধান শিক্ষকৰ মেজৰ পৰা ১৯৬৬ চনৰ পৰা বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সমূহ বৰেণ্য ব্যক্তি সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

## বিদ্যালয়ৰ সাফল্য

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৮৬ চনৰ পৰা ২০১৭ বৰ্ষলৈ উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ নাম- সৰ্বশ্ৰী মনোজ বৰঠাকুৰ, শ্ৰীমতী ৰাখীমণি ৰাজকুমাৰী, চিৰঞ্জীৱ আগ্ৰৱাল, শ্ৰী হীয়েশ্বৰ বৰা, শ্ৰীমতী সীতা কুমাৰী ঢাকা, শ্ৰী প্ৰবীন দাস, শ্ৰীমতী জয়শ্ৰী নাথ, শ্ৰীমতী সীমাৰেখা শইকীয়া (সমাজ বিজ্ঞান), শ্ৰী ইন্দ্ৰনীল ৰাজকুমাৰ, শ্ৰী নিৰ্মল শইকীয়া (সংবিজ্ঞান আৰু হিন্দী বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত), শ্ৰী প্ৰণৱজ্যোতি তালুকদাৰ, ঁ অনুৰাগ ৰাজকুমাৰ,

শ্ৰী গংগাধৰ চাহা(সংবিজ্ঞান), শ্ৰীমতী কংকনা শইকীয়া (সাঃ বিজ্ঞান, সঃ বিজ্ঞান) শ্ৰী অনুপম বৰুৱা (ষ্টাৰ মাৰ্ক, অসমীয়া, সাঃ বিজ্ঞান, সংবিজ্ঞান), শ্ৰী ধৰ্মেন্দ্ৰ বৰা (অসমীয়া, সংবিজ্ঞান), শ্ৰী শ্যামন্ত গগৈ(অসঃ, সাঃ বিজ্ঞান, সঃ বিঃ), শ্ৰীমতী চয়নীকা কৌশিক (অসমীয়া, সাংবিজ্ঞান, হিন্দী) শ্ৰী হিমাংশু দত্ত (ইংৰাজী, সাংবিজ্ঞান), শ্ৰী প্ৰাঞ্জল বৰা (সাঃ বিজ্ঞান), শ্ৰীমতী শিৱানী হাজৰীকা (সাংবিজ্ঞান, হিন্দী), শ্ৰী প্ৰদীপ্ত ছেত্ৰী (ইংৰাজী, সাঃ গণিত) শ্ৰী প্ৰিন্সপলিন শইকীয়া, শ্ৰী প্ৰাণজিৎ বৰা, শ্ৰীমতী চিম্পী বৰা, শ্ৰী পংকীপৰী বৰবৰুৱা (সাংবিজ্ঞান, সংবিজ্ঞান, হিন্দী) শ্ৰীমতী ঝৰ্ণা গগৈ (সংবিজ্ঞান) শ্ৰী অভয় কৰ্মকাৰ, শ্ৰী দেৱজিৎ শইকীয়া (অসমীয়া, ইংৰাজী, সাংগণিত), সাংবিজ্ঞান, শ্ৰী গিৰীন্দ্ৰ বৰা (অসমীয়া, সাংগণিত), সাংবিজ্ঞান শ্ৰীমতী সুস্মিতা উৰাং (সাংগণিত, সাংবিজ্ঞান, হিন্দী) শ্ৰীমতী চয়নিকা গগৈ, শ্ৰী হিমাংশু গগৈ, শ্ৰীমতী শ্বতীচা খৈৰা, শ্ৰী অনিল এক্কা, শ্ৰী সঞ্জয় বৰা, অসমীয়া ভূগোল, শ্ৰী গিৰিন্দ্ৰ কোঁৱৰ (অসমীয়া, সাংবিজ্ঞান, ভূগোল), শ্ৰী পল্লৱ মিচং (সাংবিজ্ঞান, ভূগোল) শ্ৰী পল্লৱী শইকীয়া, (অসমীয়া, ইংৰাজী) শ্ৰী বিশ্বজিৎ তিমুং, শ্ৰী আৰতি সিং, এইসকল ছাত্ৰ-ছাত্ৰীয়ে বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

২০০৬ চনত শ্ৰীমতী নিহা হাজৰীকাই হিন্দী বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি আৰু ২০১১ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ মৰণি সৌজন্যত শ্ৰী হিমাংশু দত্তই ব্লক পৰ্যায়ত জিলা পৰ্যায়ত আৰু ৰাজ্যিক পৰ্যায়ত সফলতা অৰ্জন কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনাত তেওঁক ধন্যবাদ জনালো।

এখন শিক্ষানুষ্ঠানৰ শৈক্ষিক বিকাশৰ সাধন কৰিবলৈ শিক্ষক অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সু-সমন্বয় থকাটো অপৰিহাৰ্য। শিক্ষকৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ প্ৰতি আগ্ৰহকৰণৰ দায়বদ্ধতা থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ নৈতিক উন্নতি সাধন কৰাৰ ক্ষেত্ৰতো বহুতো কৰণীয় থাকে। এখন সু-সংগঠিত ছাত্ৰ-ছাত্ৰী সমাজ গঠনৰ ক্ষেত্ৰত শিক্ষক হ'ল মুল নেতা। শিক্ষকৰ ব্যক্তিত্ব আদৰ্শ ছাত্ৰ-ছাত্ৰীয়ে অনুকৰণ কৰে। প্ৰণালীবদ্ধ তথা সু-শৃংখলাবদ্ধভাৱে ছাত্ৰ-ছাত্ৰীৰ সু-চৰিত্ৰ গঠনত বৰঙণি যোগোৱাৰ একমাত্ৰ নিৰ্ভৰযোগ্য ব্যক্তিজনেই হ'ল শিক্ষক।

অভিভাৱক সকলেও নিজ সন্তানৰ ক্ষেত্ৰত যিবোৰ অতি কৰণীয় দায়বদ্ধতা আছে সেইসমূহ পালন কৰিব লাগিব। অভিভাৱক সকল বিশেষভাৱে সজাগ সচেতন হ'ব লাগিব। আধ্যাত্মিক চেতনা বোধৰ প্ৰতি অভিভাৱক সকলে বিশেষ প্ৰচেষ্টা ল'ব লাগিব। ছাত্ৰ-ছাত্ৰী তথা শিশুসকলৰ সু-চৰিত্ৰ গঠনৰ মুল আধাৰ হ'ল আধ্যাত্মিকতা। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ আচৰণ আৰু অধ্যয়ণ আৰু পৰিয়ালত (ঘৰত) থকা সময়ত তেওঁলোকৰ আচৰণ আৰু কৰ্মস্পৃহাৰ প্ৰতি সদা লক্ষ্য ৰাখিব লাগিব। এই ক্ষেত্ৰত একেখন মঞ্চত শিক্ষক আৰু অভিভাৱক সকল মিলিত হ'ব লাগিব। আমি এনেকুৱা চিন্তাধাৰাৰে আগবাঢ়িব লাগিব; যাতে আমাৰ ছাত্ৰ-ছাত্ৰী তথা সন্তানে যাতে কোনো

প্ৰকাৰৰ অসৎ চিন্তা ধাৰাৰে আগবঢ়াৰ অৱকাশ নাথাকে।

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। শিক্ষাৰ ক্ষেত্ৰত প্ৰতিটো স্তৰত কেৱল প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত সফল হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰী সকল অধ্যয়নশীল আৰু পৰিশ্ৰমী হ'ব লাগিব। বৰ্তমান শিক্ষাৰ যিকোনো বিভাগত নূন্যতম ৮০-৯০ শতাংশ নম্বৰ নিৰ্দ্ধাৰিত হোৱাৰ বিপৰীতে উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানে ৯০ শতাংশ নম্বৰ নিৰ্দ্ধাৰিণ কৰি দিয়ে। এই ব্যৱস্থাৰ পৰা এটা সু-স্পষ্ট হৈছে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিযোগিতাৰ প্ৰৱল মনোবৃত্তিৰ প্ৰসাৰ হৈছে। ভৱিষ্যতে এই ক্ষেত্ৰত আৰু কিমান পৰিৱৰ্তন হ'ব পাৰে। গতিকে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এই সজাগতা সৃষ্টি হ'ব লাগিব। সময়ৰ সৎ ব্যৱহাৰ, নিজৰ লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যত উপনীত হ'বলৈ দৃঢ় সংকল্প আৰু শ্ৰম ছাত্ৰ-ছাত্ৰীসকলৰ নিজস্ব উত্তৰণৰ একমাত্ৰ মাপকাঠি। বৰ্তমান ৰাষ্ট্ৰীয় শিক্ষাব্যৱস্থা, সমাজব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা, ৰাজিনৈতিক ব্যৱস্থা, সামাজিক ব্যৱস্থা কেনেধৰণে পৰিৱৰ্তন হৈছে সেই বিষয়েও বোধগম্য হোৱা বাঞ্চনীয়।

**বকিয়াল ঃ**

গোলাঘাট জিলাৰ কাৰ্বি আংলঙৰ সীমান্তৱৰ্তী অঞ্চলৰ এখন বুৰঞ্জী প্ৰসিদ্ধ অঞ্চল। বৰ্তমান বকিয়ালৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে। শৈক্ষিক ক্ষেত্ৰতো প্ৰগতি হৈছে। এই পৰিৱৰ্তনৰ মূলতে বকিয়ালৰ অঞ্চলৰ শিক্ষানুষ্ঠান সমূহ। এই শিক্ষানুষ্ঠান সমূহ যিসকল শিক্ষানুৰাগী ব্যক্তি সকলৰ ত্যাগ, শ্ৰমত প্ৰতিষ্ঠিত হৈছিল সেই নমস্য ব্যক্তিসকললৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলো। ভৱিষ্যতে এখন প্ৰগতিশীল বকিয়াল সমাজ গঠন হওক -আমাৰ ছাত্ৰ-ছাত্ৰীসকল উচ্চ শিক্ষাৰে শিক্ষিত হওক।

এই কামনাৰে...

**বিঃদ্ৰঃ এই নিবন্ধত অনিচ্ছাকৃত ভুল ক্ৰুটীৰ বাবে মাৰ্জনা বিচাৰিলো।**

# বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইতিহাসত এভুমুকি
# (১৯৬৬-২০১১ চনলৈ)

✍ ৰত্নেশ্বৰী বৰা
অৱসৰ প্ৰাপ্ত সহঃশিক্ষয়িত্ৰী

আহোম ৰজাই গৰকী যোৱা মৰঙী মৌজা এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। বৰ্ত্তমান গোলাঘাট জিলাৰ অন্তৰ্গত কেইবাখনো গাঁও চাহ বাগান সামৰি বকিয়াল অঞ্চল। জনশ্ৰুতি মতে বকলিয়াল নামৰ ঠাইৰ পৰা অহা মানুহ ইয়াৰে এখন গাঁৱত বসবাস কৰিছিল। সেই বাবেই অঞ্চলটিৰ নাম বকিয়াল হৈছিল বুলি মানুহে বিশ্বাস কৰে। এই অঞ্চলৰ পুবে দৈগ্ৰোং নদী, পশ্চিমে কালিয়নী নদী, কাৰ্বি আংলং জিলা। উত্তৰে নুমলীগড় আৰু পংকা গাঁও, দক্ষিণে বিজুলী বনাঞ্চল।

কাৰ্বি পাহাৰৰ গাতে লাগি থকা বকিয়াল প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ এখন উৰ্বৰা ঠাই। ৰবি আৰু খৰিফ দুয়োবিধ শস্য অধিক উৎপাদন হয়। কিন্তু প্ৰায় ৫০বছৰৰ আগত ইয়াত বনৰীয়া জীৱ-জন্তু, বাঘ-হাতীৰ বিচৰণ কৰা জয়াল অৰণ্য আছিল। শতকৰা ৯০জন লোকেই নিৰক্ষৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা কৃষিজীৱি লোক। যাতায়তৰ কোনো ব্যৱস্থা নাছিল। কিছুদিনৰ পিছত ৩৯ নং ৰাষ্ট্ৰীয় পথৰ পৰা

> **মহান আদৰ্শ স্থানীয়, প্ৰতিভূ ব্যক্তি সকলৰ আশাশুধীয়া প্ৰচেষ্টা, দৃঢ়মনোবলত প্ৰথমে বকিয়াল মধ্য ইংৰাজী বিদ্যালয়খনি ১৯৬১ চনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল**

সংযোগ কৰি ৰাইজৰ
গড়কাপ্তানি বিভাগৰ নাম মাত্ৰ
হৈছিল। লাহে লাহে ব্যৱসায়
আশ্ৰয় বিচাৰি বিভিন্ন লোকৰ
চাহ উদ্যোগ প্ৰতিষ্ঠা হ'ল,
বৰ্ত্তমান এই অঞ্চলৰ অন্তৰ্গত
সমূহ ক্ৰমে ১ নং, ২নং
বকিয়াল গাঁও, নপাম, ১নংৰ

সহযোগত
এটা আলিবাটৰ ব্যৱস্থা
-বাণিজ্যৰ সূত্ৰে বা
সোঁত ববলৈ ধৰিলে।
জনসংখ্যাও বাঢ়িল।
থকা ন-পুৰণি গাঁও
বুঢ়াগোঁহাইখাত,
পৰা ৫নং ৰংবং,
ছকেলা, কালিয়নী বাগান, বগামাটি আদি বসবাস কৰা জাতি-জনজাতিৰ মিলনভূমি।

এই বিস্তৃত অঞ্চলত পূৰ্বতে কোনো শিক্ষাৰ প্ৰতিষ্ঠান নাছিল। মৰঙী চাৰিআলিত এখনেই মাত্ৰ প্ৰাথমিক বিদ্যালয় আছিল। সেয়েহে আঙুলিৰ মূৰত লেখিব পৰা ছাত্ৰ-ছাত্ৰীয়েহে বিদ্যালয়লৈ যোৱাৰ সুযোগ পাইছিল। উচ্চ শিক্ষাৰ বাবে গোলাঘাট নগৰলৈ গৈ পঢ়িব লগা হৈছিল। সেয়েহে শিক্ষাৰ দিশত পিচপৰি

গৈছিল।

নিৰক্ষৰতা দুৰ কৰিবলৈ এখন সুস্থ সবল, সভ্য সমাজৰ প্ৰয়োজন আছিল। "শিক্ষাই সমাজৰ ৰাজহাড় স্বৰূপ"। এনে মানসিকতাৰে সমাজৰ মুষ্টিমেয় উচ্চাকাঙ্খী লোকে শিক্ষাৰ প্ৰয়োজনবোধ কৰিছিল। সৌভাগ্য ক্ৰমে তেখেত সকলে অগ্ৰণী ভূমিকা লৈ নেতৃত্ব বহন কৰিবলৈ আগবাঢ়ি আহিছিল। সেই সকলেই আছিল ক্ৰমে **টেপুৰাম গগৈ, ঘনকান্ত নেওগ, যোগেশ্বৰ শইকীয়া, ৰাপুৰাম শইকীয়া, পৰশু কৰ্ম্মকাৰ, বাপুৰাম বৰা, নেত্ৰানন্দ তন্তুবাই, বিৰশ্বৰ দত্ত, নিৰ্মল চন্দ্ৰ বৰা, মুক্তেশ্বৰ চেতীয়া, কৃষ্ণকান্ত বৰা, গোলোক চন্দ্ৰ গগৈ, ৰাতিবৰ হাজৰীকা, ঋষেশ্বৰ দত্ত** প্ৰমুখ্যে জ্ঞাত-অজ্ঞাত স্বনামধন্য ব্যক্তি সকল। উল্লেখযোগ্য যে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণকাৰী লোকসকলৰ বাবে ঠাইখনৰ বিশেষ ভূমিকা আছে।

এই মহান আদৰ্শ স্থানীয়, প্ৰতিভূ ব্যক্তি সকলৰ আশাশুধীয়া প্ৰচেষ্টা, দৃঢ়মনোবলত প্ৰথমে বকিয়াল মধ্য ইংৰাজী বিদ্যালয়খনি ১৯৬১ চনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। স্থান আছিল কালিয়নী নদী ঘাট বকিয়াল গাঁৱত। প্ৰথম শিক্ষক আছিল **নলীন ৰাজখোৱা, বকুল বৰা, জীতেন ৰাজকুমাৰ**, কিছুদিনৰ পিছত এই বিদ্যালয় খনিৰ সান্নিধ্যত বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয় নামাকৰণে উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তুলিছিল ১৯৬৬ চনত। সেই শুভ ক্ষণত বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল **শ্ৰী সভাৰাম গগৈ দেৱ**। সমাজৰ [illegible] স্থানীয় ব্যক্তি সকলৰ মহানুভৱতা, দুঃসাহস, [illegible] কঠোৰ শ্ৰম আৰু ত্যাগৰ ফলত [illegible] লোকেই গঞ্জালি হৈ অংকুৰিত হৈছিল।

ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নগন্য, বিদ্যালয়ৰ গৃহ জৰাজীৰ্ণ তথাপিও প্ৰস্তাবক ও সমৰ্থক সকলে সামান্য অৰ্থ কড়িৰে হ'লেও প্ৰাণ দি অনুষ্ঠানটি জীপাল কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছিল।

বিশেষ সমস্যাৰ সন্মুখীন হৈ দুয়োখন বিদ্যালয় বকিয়াল তিনিআলিলৈ অথবা জেকচন গ্ৰান্ট গাঁৱলৈ স্থানান্তৰিত কৰিছিল। মধ্য ইংৰাজী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল পৰশু কৰ্মকাৰ, উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি টেপুৰাম গগৈ, সম্পাদক যোগেশ্বৰ শইকীয়া। প্ৰথম দাতা আছিল ৰাতিবৰ হাজৰীকা আৰু পৰশু কৰ্ম্মকাৰ। সদস্য সকল আছিল ঘনকান্ত নেওগ, বাপুৰাম শইকীয়া, বাপুৰাম বৰা, নেত্ৰানন্দ তন্তুবাই, ঋষেশ্বৰ দত্ত।

দিন বাগৰি যোৱাৰ লগে লগে ঠায়ে ঠায়ে প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হ'বলৈ ধৰিছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। ফলত মধ্য ইংৰাজী বিদ্যালয়খনি চৰকাৰীকৰণ হৈছিল। এই বিদ্যালয় গৃহ নিৰ্ম্মানিতো ৰাইজৰ কঠোৰ শ্ৰমৰ নিদৰ্শন আছিল। প্ৰত্যুৎপন্নমতি পৰশুকৰ্ম্মকাৰ দেৱে নিজৰ গাঁৱৰ মহিলা আনকি নিজৰ পত্নীকো বিদ্যালয়ৰ বেৰ লিপা কাৰ্যত নিয়োগ কৰি মাত্ৰ ভোজ ভাত খুৱাই সন্তুষ্ট কৰা কাৰ্য এটা উল্লেখযোগ্য অধ্যায়। মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক **বীৰেন ৰাজকুমাৰ**, বীনেশ্বৰ বৰা, খগেশ্বৰ দত্ত, ঘনকান্ত চেতীয়া, সহকাৰী শিক্ষক। বিদ্যালয়ৰ গৃহ একেটাতে দুয়োখন বিদ্যালয়ৰ পাঠদান হয়। কাৰ্যালয় একেটাই। সেয়েহে অসুবিধাৰ সন্মুখীন হৈ পৃথক-পৃথককৈ ঘৰ সাজিবলৈ চেষ্টা কৰিছিল যদিও অৰ্থৰ অভাৱত থমকি ৰ'ব লগীয়া হৈছিল। অনাহাৰে শ্ৰী সভাৰাম গগৈ দেৱ অনুপস্থিত হ'বলগীয়া

হৈছিল।

সেয়েহে আন এজন অস্থায়ী প্ৰধান শিক্ষক বেনু বৰা দেৱে প্ৰধান শিক্ষকৰ দায়িত্বভাৰ লৈছিল। বিদ্যালয় অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ আগবাঢ়িল। সেয়েহে শিক্ষকৰ প্ৰয়োজন হোৱাত পৰিচালনা সমিতিয়ে ৰাজেন দত্ত, কিৰন বুঢ়াগোঁহাই, বিজয় বুঢ়াগোঁহাই, অমলা দেৱী আদি শিক্ষক-শিক্ষয়িত্ৰীসকলক নিযুক্তি দিছিল। সেই সময়ত ১৯৬৮ চনত মই সেই বিদ্যালয়ৰ নৱম মান শ্ৰেণীত পঢ়াৰ সুবিধা পাইছিলো।

বিদ্যালয়খনিয়ে ঠন ধৰিব সময়তে পৰিচালনা সমিতিৰ সভাপতি টেপুৰাম গগৈ দেৱ অমৰ ধামলৈ গতি কৰিছিল। সেয়েহে বাপুৰাম শইকীয়া দেৱক পৰিচালনা সমিতিৰ সভাপতি পদত অধিষ্ঠিত কৰিছিল। শিক্ষক-শিক্ষয়িত্ৰীসকল সেৱা মনোবৃত্তিৰে আছিল। কিয়নো তেওঁলোক নিয়মীয়াকৈ অথবা বুজন পৰিমাণৰ পাৰিতোষিক পোৱাৰ পৰা বঞ্চিত আছিল। গতিকে স্থায়ী শিক্ষকৰ অভাৱ, পৰ্যাপ্ত পৰিমাণৰ মাটি, ছাত্ৰ-ছাত্ৰী, স্থায়ী-গৃহ, মজুত টকা ইত্যাদিৰ প্ৰধান সমস্যাত পৰি বিদ্যালয়খনিৰ গতি মন্থৰ হৈ পৰিছিল। মধ্য ইংৰাজী বিদ্যালয়খনি গইনা লৈ বৰ্তি আছিল। পৰিচালনা সমিতিৰ সভাপতি সম্পাদক প্ৰমুখ্যে সদস্য বৃন্দই বোজা বহন কৰিবলগীয়া হৈছিল। অঞ্চলটো সেইসময়ত অৰ্থনৈতিক দিশত বিশেষ ভাৱে পিছ পৰি আছিল। পৰিচালনা সমিতিৰ বিষয় ববীয়া সকলে নিত্য নতুন পৰিকল্পনা আঁচনি হাতত লৈ কঠোৰ শ্ৰম আৰু ত্যাগ কৰি আগবাঢ়িবলৈ ধৰিলে। মাজে সময়ে কিছুলোকৰ কটু-সমালোচনাৰ সন্মুখীন হৈছিল। তথাপিও জীৱনজোৰা সাধানাৰে ব্ৰতী হৈ অগ্ৰসৰ হৈছিল। বিদ্যালয় খনিৰ গঢ় দিয়াৰ অভিপ্ৰায়ে, ৰ'দ, বৰষুণ, বোকা-পানী গচকি, গাঁও, নগৰ, হাট-বজাৰ, ব্যৱসায়, প্ৰতিষ্ঠান ইত্যাদি লৈ গৈ সহায়ৰ হাত আগবঢ়াই অৰ্থ সংগ্ৰহ কৰিছিল। দুৰ-দুৰণিৰ ধনী মহাজন চিনাকি-অচিনাকি প্ৰভাৱশালী ব্যক্তি, হাকিম, মুন্সিফ সকলৰ ওচৰলৈ গৈ হাত পাতিবলৈও কুণ্ঠাবোধ কৰা নাছিল। এইদৰে এহাতে অৰ্থ আনফালে বিদ্যালয়খনিৰ মোহন মন্ত্ৰ প্ৰচাৰ কৰি মানুহৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। পৰিচালনা সমিতিৰ বৈঠক সঘনাই বহে। প্ৰত্যেক দেওবাৰে পুঁজি সংগ্ৰহৰ বাবে দুৰণিলৈ ওলাই যায়। শিক্ষা বিভাগৰ কতৃপক্ষৰ সৈতেও যোগাযোগ অব্যাহত ৰাখিছিল যদিও সহাৰি পোৱা নাছিল। তথাপিও বিচলিত নহৈ গধুৰ দায়িত্ব বহন কৰিবলৈ দুঃসাহস কৰিছিল। এনেদৰে কঠোৰ শ্ৰম, অশেষ ত্যাগ, কষ্ট সহিষ্ণুতাৰে আগবাঢ়ি বিদ্যালয়ৰ মৰ্যদা অটুত ৰাখিছিল।

পুনৰ দুয়োখন বিদ্যালয় স্থানান্তৰ হ'ল। কাৰ্যালয় গৃহ বৰ্তমান খেল পথাৰখনৰ এটা কোণত সাক্ষী হৈ থকা নাহৰ গছ জোপাৰ ওচৰত। বিদ্যালয়ৰ গৃহ অলপ নামনিলৈ ওচৰা-ওচৰিকৈ আছিল । এইবাৰ গৃহ স্থায়ী নহ'লেও মজবুত কৈ সাজিলে। জোৰা-টাপলি মাৰি হ'লেও বিদ্যালয়ৰ গৃহ আগতকৈ উন্নত হ'ল। পুনৰ আন এজন শিক্ষক ডিম্বেশ্বৰ গগৈ দেৱ বিদ্যালয়ত পাঠদান কৰিবলৈ সুবিধা পাইছিল। তেখেতে স্থায়ী নেহোৱাৰ বাবে স্থায়ী প্ৰধান শিক্ষকৰ বাবে শ্ৰী হেম গগৈ দেৱক পৰিচালনা সমিতিয়ে তেখেতৰ ঘৰৰ পৰা মাতি আনি নিযুক্তি দিছিল। শিক্ষকসকল স্থায়ী ভাৱে নাথাকিলেও কম সংখ্যক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ বিদ্যালয়ৰ অগ্ৰগতিৰ দুৱাৰ মুকলি কৰিছিল। তেওঁলোক আছিল বিপিন শইকীয়া, ৰত্নেশ্বৰী বৰা।

পৰীক্ষাৰ কেন্দ্ৰ আছিল গোলাঘাট। ইয়াৰ পিছত প্ৰত্যেক বছৰে হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ হাৰ বাঢ়িবলৈ ধৰিছিল। পুনৰ আন দুজন অৰ্হতা সম্পন্ন শিক্ষক সূৰ্য বৰঠাকুৰ আৰু লোকেশ্বৰ বৰুৱা দেৱক পৰিচালনা সমিতিয়ে নিযুক্তি দিছিল।

বিদ্যালয়ৰ মান-মৰ্যদা অটুত ৰাখিবলৈ অথবা বিভাগীয় নীতি-নিৰ্দেশনা মানি চলিবলৈ পৰিচালনা সমিতিৰ আঁকোৰগোজ মনোভাৱে অহৰ্নিশে চিন্তা-চৰ্চা কৰিছিল। শ্ৰী হেম গগৈ দেৱ B.T. প্ৰশিক্ষণলৈ যাব লগা হোৱাত এবছৰৰ বাবে সূৰ্য বৰঠাকুৰদেৱে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰিছিল। তেখেতৰ কাৰ্যকালতে প্ৰথম স্কুল পৰিদৰ্শক ৰোহিনী বৰপূজাৰী দেৱক বিদ্যালয় পৰিদৰ্শন কৰাইছিল। ইয়াৰ কিছুদিনৰ পিছতে ৰাইজৰ নেৰানেপেৰা প্ৰচেষ্টাত বিদ্যালয়খনে বিভাগীয় কৰ্তৃপক্ষৰ পৰা মাত্ৰ অনুমতিহে পাইছিল। হেম গগৈ চাৰ প্ৰশিক্ষণৰ পৰা আহি পুনৰ প্ৰধান শিক্ষকৰ পদ গ্ৰহণ কৰিলে। পাঠদানত বিশেষভাৱে অৰিহণা যুগোৱা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক সকল ভিতৰত আছিল বীৰেন ৰাজকুমাৰ, বীনেশ্বৰ বৰা মহাশয়ৰ নাম উল্লেখ নকৰিলে আধৰুৱা হ'ব। বীৰেন ৰাজকুমাৰ দেৱৰ দিহা-পৰামৰ্শ, বীনেশ্বৰ বৰা দেৱৰ ভূগোল-সংস্কৃত আনকি অঙ্ক বিষয়ত পাঠদান আছিল উল্লেখযোগ্য অৱদান।

দূৰ-দূৰণিৰ শিক্ষকসকল তথা খগেশ্বৰ দত্ত, ঘন চেতীয়া, সূৰ্য বৰঠাকুৰ আদি শিক্ষকসকলে বিদ্যালয়ৰ চৌহদতে অস্থায়ী কৈ সৰু জুপুৰী সাজি থাকিবলৈ লৈছিল। তেখেত সকলৰ লগত কিছুমান ছাত্ৰও থাকিবলৈ সুবিধা পাইছিল। পৰিচালনা সমিতিয়ে বিদ্যালয় স্থায়ী গৃহ নিৰ্ম্মাণৰ আলোচনা মৰ্ম্মে নিজে হাতে-কামে কৰি হ'লেও চেষ্টা কৰিছিল। সেয়েহে প্ৰত্যেক দেওবাৰৰ দিনা হাতত দা, কান্ধৰ গামোচাৰ আগত সৰু চাউলৰ টোপোলা বান্ধি কাম কৰিবলৈ পুৱা বেলাই ওলাই আহে। দিনৰ দিনটো কাম কৰে আৰু ভোজ-ভাত খায়। ভোজ ৰান্ধে খগেশ্বৰ দত্ত চাৰে। কম পৰিমাণৰ ভাত-আঞ্জাৰে জলকীয়া বেছিকৈ দি হ'লেও তৃপ্তিৰে সকলোকে খুৱায়। এইয়া দত্ত চাৰৰ উল্লেখনীয় ব্যক্তিত্ব।

গাৰ ঘাম মাটিত পেলাই অশেষ কষ্টেৰে সজা বিদ্যালয়ৰ ঘৰটো এদিনাখন কাল ধুমুহাই ভাঙি চূৰমাৰ কৰিলে। এই মৰ্মান্তিক ঘটনাই সকলোৰে বুকু কঁপাই তুলিছিল। কিন্তু পুৰণা পঞ্চায়তৰ কাৰ্যালয়ৰ ঘৰটোতে পাঠদান কৰিবলৈ সুবিধা পাইছিল। সেই ঘৰটোৰ সৈতে অস্থায়ী ভাৱে দুটা কোঠা সাজি বিদ্যালয়ৰ কাম-কাজ আগবঢ়াইছিল। পৰিচালনা সমিতিৰ বোজা আৰু বেছি গধূৰ হ'ল। সেয়েহে পুঁজি সংগ্ৰহৰ বাবে নানা ধৰণৰ কলা-কৌশলৰ প্ৰশ্ৰয় ল'ব ধৰিলে। মানুহৰ মনত মনোৰঞ্জন দি ভ্ৰাম্যমান থিয়েটাৰ প্ৰদৰ্শন, হিন্দী চিনেমা প্ৰদৰ্শন ইত্যাদিৰে কম সময়ত বেছি পুঁজি সংগ্ৰহ কৰিছিল। আনকি বয়োজ্যেষ্ঠসকলে ব'হাগ বিহুত হুচৰি গাই আনন্দ কৰি মানুহৰ ঘৰে ঘৰে নাচ-বাগ কৰিও পুঁজি সংগ্ৰহ কৰিছিল। কিছু পৰিমাণে অৰ্থ সংগ্ৰহ কৰি পুনৰ বিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে যত্নপৰ হৈছিল। গুৰি বঠা ধৰিছিল হেম গগৈ চাৰে। পুনৰ শিক্ষকৰ পদ খালী হোৱাত দেৱ নাথ আৰু ৰত্নেশ্বৰী বৰা, (মই নিজে) বিদ্যালয়ৰ শিক্ষকতা কৰিবলৈ সুবিধা পাইছিলো। মাত্ৰ ৮০টকা পাৰিতোষিক লৈ শিক্ষকতা জীৱনৰ পাতনি মেলিছিলো। লক্ষ্য আমাৰ মানৱ সেৱা, সমাজ সেৱা অথবা দেশ সেৱা। সেয়েহে হেম গগৈ চাৰে আন্তৰিকতাৰে আগবঢ়াই

দিয়া ৮০ টকাক লৈ নথৈ আনন্দিত হৈছিলো। পুনৰ আন এজন সহকাৰী শিক্ষক শ্ৰী অজিত শইকীয়া দেৱ বিদ্যালয়খনিত নিযুক্তি পাইছিল।

বিদ্যালয়ৰ গুণগত মানদণ্ড লাহে লাহে উন্নত হ'বলৈ ধৰিলে, কিন্তু এটা স্থায়ী গৃহৰ অভাৱৰ বাবে স্বীকৃতি পাবলৈ সক্ষম হোৱা নাছিল। যি কোনো প্ৰকাৰে কিছু অৰ্থ সংগ্ৰহ কৰি বিদ্যালয়ৰ স্থায়ী গৃহ আধাৰ শিলা স্থাপন কৰিয়ে ক্ষান্ত নাথাকি শিক্ষক পৰিচালনা সমিতি, সমূহ ৰাইজ একত্ৰিত হৈ গৃহ নিৰ্মাণৰ কামত আগবাঢ়িছিল। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভূমিকা নুই কৰিব নোৱাৰি। হাবি কটা, প্ৰকাণ্ড গছৰ মূঢ়া উঘলোৱা, ঘৰৰ ভেটিত মাটি ভৰোৱা, পৰিৱেশ পৰিস্কাৰ কৰা ইত্যাদি কাম ছাত্ৰ-ছাত্ৰী সকলে দুগুণ উৎসাহেৰে সমাধা কৰা কাৰ্য ইতিহাসৰ উল্লেখযোগ্য অধ্যায়।

এনে বহু ঘাট-প্ৰতিঘাট, বিপদ-বিঘিনি অতিক্ৰম কৰি সমূহীয়া প্ৰচেষ্টাত ১৯৮৪ চনত বিদ্যালয়খন প্ৰাদেশীকৰণ হ'ল। প্ৰধান শিক্ষক হেম গগৈ, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকল আছিল- লোকেশ্বৰ বৰুৱা, দেৱ নাথ, অজিত শইকীয়া, ৰত্নেশ্বৰী বৰা, কাৰ্যালয়ৰ সহায়ক তপন শইকীয়া, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ভদ্ৰেশ্বৰ গগৈ। এই সকলৰ স্থায়ী নিযুক্তি হ'ল কিন্তু অঙ্ক আৰু হিন্দী বিষয়ৰ শিক্ষক পদ তেতিয়ালৈকে অপূৰণীয় হৈ থাকিল। সেয়েহে মানিক শইকীয়া, ৰবিন শইকীয়া আৰু অনন্ত বাৰুকিয়ান আদিক অংক বিষয়ৰ শিক্ষকৰ বাবে অস্থায়ী নিযুক্তি দি পাঠদান কৰাব লগীয়া হৈছিল মোৰ (ৰত্নেশ্বৰী বৰা) B. Ed. প্ৰশিক্ষণৰ সময়ত শ্ৰী দেৱ শইকীয়া দেৱে এটা বছৰৰ বাবে পাঠদান কৰিছিল। পুনৰ অজিত শইকীয়া দেৱৰ B.Ed. প্ৰশিক্ষণৰ সময়তে উৎপল দে নামৰ এজন অংক বিষয়ৰ স্থায়ী শিক্ষকৰ নিযুক্তি হয়। প্ৰধান শিক্ষক হেম গগৈ দেৱৰ দিনতে বিদ্যালয়খনে স্বীকৃতি পাবলৈ সক্ষম হোৱাৰ উপৰিও বকিয়াল চাহ বাগিছাৰ কৰ্তৃপক্ষৰ পৰা এটা শ্ৰেণী কোঠাৰ অনুদান পাইছিল। ইতিমধ্যে গগৈ চাৰৰ কাৰ্যালয় শেষ হোৱাত অৱসৰ গ্ৰহণ কৰিবলগীয়া হ'ল।

বিভাগীয় নীতি অনুসৰি লোকেশ্বৰ বৰুৱা দেৱে প্ৰধান শিক্ষকৰ দায়িত্ব লৈছিল। বৰুৱা চাৰৰ কাৰ্যকালত বিধায়কৰ পুঁজিৰ পৰা আন এটা শ্ৰেণীকোঠাৰ অনুদান পাইছিল। এই কালছোৱাত সুনীল মেধী নামৰ খেলা-ধূলাৰ শিক্ষক আৰু বিপিন গগৈ নামৰ শৰীৰ চৰ্চাবিদ এই দুজনে বিদ্যালয়ত নিযুক্তি পাইছিল। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলৰ খেল-ধেমালী উন্নত হৈছিল। লগতে এটা খেলৰ কাৰ্যালয়ো পাবলৈ সক্ষম হৈছিল। বিদ্যালয়খনিত শিক্ষক নিযুক্তিৰ ধাৰাবাহিকতা তেতিয়ালৈকে শেষ হোৱা নাছিল। কিয়নো হিন্দী বিষয়ত শ্ৰী পুণ্যেশ্বৰ বৰা আৰু মাজে মাজে অংক বিষয়ত হেম কুমাৰ ৰাণা দেৱে পাঠদান দি শৈক্ষিক দিশত আগবঢ়াই নিছিল। তেনে সময়তে শ্ৰী যোগেন গগৈ দেৱে বিদ্যালয় খনিত স্থায়ী নিযুক্তি পাইছিল। প্ৰধান শিক্ষকক প্ৰমুখ্যে কৰি সহকাৰী শিক্ষক সকলৰ ওপৰত বিদ্যালয়ৰ মান-মৰ্যদা ৰক্ষাৰ গধুৰ দায়িত্ব আহি পৰিল। সেই সময়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল ৰামচন্দ্ৰ শইকীয়া। বছৰ বাগৰি যোৱাৰ লগে লগে লোকেশ্বৰ বৰুৱা দেৱৰ কাৰ্যকালৰ অন্ত পৰাত শ্ৰী দেৱকান্ত নাথ দেৱ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰে। তেখেতৰ কাৰ্যকালত অন্ত পৰিচালনা সমিতিৰ সভাপতি পদত আছিল শ্ৰী বদন তালুকদাৰ। বিদ্যালয়খনিৰ অভাৱ অনাটনেৰে

নিপিড়িত অৱস্থাৰ অন্ত পৰিল। উন্নত বাস্তমুখৰ যুগৰ আৰম্ভ হ'ল। বিজ্ঞান বিদ্যাই মানুহক আত্মবিভোৰ হৈ পথভ্ৰষ্ট হ'বৰ উপক্ৰম হৈছে। ইতিহাসৰ পৃষ্ঠাত এখন সমাজৰ মূল্যায়ণ হয় ঘাইকৈ শিক্ষা, সাহিত্য ইত্যাদি কলাক কেন্দ্ৰ কৰি। এই ঐতিহ্য আৰু শিক্ষা কলা সাহিত্যই হৈছে জীৱনৰ জীৱনী শক্তি। তেনে এখন শিক্ষানুষ্ঠান বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ে ৫০ বছৰ অতিক্ৰম কৰিলে। এই অনুষ্ঠানেই বকিয়াল বাসীৰ সমাজ জীৱনৰ প্ৰাণ কেন্দ্ৰ। কিয়নো এই বিদ্যালয়তে অধ্যয়ন কৰি শত শহস্ৰ ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ পথ বাছি ল'বলৈ সক্ষম হৈছে, জ্ঞান চকু মুকলি হৈছে। চিকিৎসক, অধ্যাপক, অভিযন্তা, উকিল, শিক্ষক, সমাজ সেৱক, ৰাজনৈতিক নেতা হ'ব পাৰিছে। ই আমাৰ সমাজৰ তথা দেশৰ গৌৰৱ। অতীতৰ শিক্ষানুৰাগী, হিতাকাঙ্খী বৰেণ্য লোকসকলকৰ ত্যাগ আৰু শ্ৰমৰ ফলত আজি আমি জীৱনী শক্তি পাবলৈ সক্ষম হৈছো।

সেই মহান ত্যাগী পুৰুষ সকল বিদ্যালয়ত কৰ্মৰত শিক্ষকসকলৰ ৯০শতাংশই আজি আমাৰ মাজত নাই। তেখেতসকলৰ সপোন আজি বাস্তৱত পৰিণত হ'ল। জীৱিত কালত তেখেত সকলে যদিওবা বাস্তৱ প্ৰতিচ্ছবি দেখা নাপালে তথাপিও বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইতিহাসত তেখেতসকলৰ স্মৃতি সোণালী আখৰেৰে জিলিকি থাকিব। । বিদ্যালয়ৰ সোণালী জয়ন্তীৰ প্ৰাক্‌ক্ষণত তেখেত সকলৈলৈ আন্তৰিক শ্ৰদ্ধা জনাই, কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু তেখেত সকলৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালো।

একাদিক্ৰমে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৱ নাথ দেৱৰ অৱসৰৰ পিছত অজিত শইকীয়া দেৱে বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ আসনত অধিষ্ঠিত হয়। পৰিচালনা সমিতিৰ সভাপতি শ্ৰী ভদ্ৰকৃ নেওগ দেৱ। লাহে লাহে বিদ্যালয়ৰ ভাগ্য ৰবি উদয় হ'ল। পৰ্যাপ্ত পৰিমাণৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, বিদ্যালয়ৰ শ্ৰেণী কোঠা, কম্পিউটাৰ, বিজুলী সংযোগ, খোৱাপানী, শৌচাগাৰ আদিৰে পৰিপুৰ্ণ হ'ল। একালৰ বনগুটিৰে পুৰ্ণ বিদ্যালয়ৰ চৌহদ সোণগুটি সিঁচৰিত হ'ল। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও ভাল ফলাফল দেখুৱাই যোগ্যতা অৰ্জন কৰি গুনগত মান উন্নত কৰিবলৈ সক্ষম হ'ল। বকিয়াল অঞ্চল পুৰ্বৰ তুলনাত অৰ্থনৈতিক, শৈক্ষিক সামাজিক দিশত বৰ্ত্তমান অধিক উন্নত হ'ব ধৰিছে। বিভিন্ন জন গোষ্ঠীয়ে একতা দোলেৰে বান্ধ খাই এখন মিলন ভুমি হৈ পৰিছে।

বকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়খনে ভবিষ্যত অধিক প্ৰতিভাবান, চৰিত্ৰবান ছাত্ৰ-ছাত্ৰীক জীৱনৰ গঢ় দি মানৱ সম্পদ গঢ়ক। নতুন প্ৰজন্মক শিক্ষাৰ জ্যোতিৰে আলোকিত কৰক, ই আমাৰ কাম্য। অন্ধকাৰছন্ন বকিয়াল অঞ্চল শিক্ষকৰ জ্যোতিৰ সন্ধান দিওতা সকল আমাৰ জীৱনৰ পাথেয় হৈ ৰওক।

**দ্ৰষ্টব্যঃ এই বিৱৰণত অজানিতে বিদ্যালয়খনৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা বহুতো ব্যক্তিৰ নাম অনিচ্ছাকৃত ভাবে বৈ গৈছে। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।**

"মহা মহা পুৰুষ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঠিত।"

□□□